# JP-2-03

**PAPER II / प्रश्न-पत्र II**
**Assamese Language Supplement**
**असमी भाषा परिशिष्ट**
**PART IV & V / भाग IV & V**

This booklet contains **20** pages.
इस पुस्तिका में **20** पृष्ठ हैं ।

**Test Booklet Code**
**परीक्षा पुस्तिका संकेत**

# P

**Test Booklet No.**
**परीक्षा पुस्तिका संख्या**

**501169**

**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए ।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20) पर दिए निर्देशों को ध्यान से पढ़ें ।**

**For instructions in Assamese see Page 2 of this Booklet. / असमी में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें ।**

## *INSTRUCTIONS FOR CANDIDATES*

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **Assamese** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Blue / Black Ball Point Pen only** for writing particulars on this page / marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **P**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :
   Part-IV : Language I - (Assamese) (Q. 91 to Q. 120)
   Part-V : Language II - (Assamese) (Q. 121 to Q. 150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a language other than Assamese, please ask for a Test Booklet that contains questions on that language. The languages being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part -V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो या तो भाग **IV** (भाषा I) **या** भाग **V** (भाषा II) **असमी** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं** ।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से ।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं । भाषा परिशिष्टों को आप अलग से माँग सकते हैं ।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर पत्र पर निशान लगाने के लिए **केवल नीले/काले बॉल पॉइंट पेन** का प्रयोग करें ।
5. इस भाषा पुस्तिका का **संकेत है P** । यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है । अगर यह भिन्न हो तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग-IV : भाषा I - (असमी) (प्र. 91 से प्र. 120)
   भाग-V : भाषा II - (असमी) (प्र. 121 से प्र. 150)
7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं । इस परीक्षा पुस्तिका में केवल असमी भाषा से संबंधित प्रश्न दिए गए हैं । **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमी के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए । जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए ।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा I (भाग-IV) में चुनी गई भाषा से भिन्न हो ।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें ।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें । अपने उत्तर ध्यानपूर्वक अंकित करें । उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है ।

Name of the Candidate (in Capitals) : ____________________
परीक्षार्थी का नाम (बड़े अक्षरों में) :
Roll Number : in figures ____________________
अनुक्रमांक : (अंकों में)
: in words ____________________
: (शब्दों में)
Centre of Examination (in Capitals) : ____________________
परीक्षा केन्द्र (बड़े अक्षरों में) :
Candidate's Signature : ____________ Invigilator's Signature : ____________
परीक्षार्थी के हस्ताक्षर : निरीक्षक के हस्ताक्षर :
Facsimile signature stamp of
Centre Superintendent ____________________

SEAL

P P

এই পৰীক্ষা বহীত 20টা পৃষ্ঠা আছে

# JP-2-03

## কাকত II

## অসমীয়া ভাষা

## খণ্ড IV & V

परीक्षा-पुस्तिका-संकेतकम्

**P**

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা ।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাতিত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া ।**

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যিয়ে অসমীয়া ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে । কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব ।
2. পৰীক্ষাৰ্থী সকলে মুখ্য পৰীক্ষা বহীৰ পৰা I পৰা II বা III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব ।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ সৈতে দিয়া হৈছে । ভাষা সহায়ক সমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব ।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/কলা বল পেন** ব্যৱহাৰ কৰিবা ।
5. এইখন ভাষা বহীৰ কোড হ'ল **P** . এইটো নিশ্চিত কৰা যে উত্তৰ বহীৰ **দ্বিতীয় পিঠি**, মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে । পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই লব ।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত **60**টা চমুধৰণৰ প্ৰশ্ন আছে । প্ৰত্যেক প্ৰশ্নতে ১ নম্বৰকৈ দিয়া হৈছে :

   খণ্ড IV : ভাষা I — (অসমীয়া) *(প্ৰশ্ন 91 ৰ পৰা প্ৰশ্ন 120 লৈ)*

   খণ্ড V : ভাষা II — (অসমীয়া) *(প্ৰশ্ন 121 ৰ পৰা প্ৰশ্ন 150 লৈ)*
7. খণ্ড IV তো ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে । এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে । **ভাষাৰ ক্ষেত্ৰত যদি ভাষা I অথবা ভাষা II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহলে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি লবা । তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা ।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব ।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব ।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকতহে লিপিবদ্ধ কৰিব লাগিব । তোমাৰ উত্তৰবোৰ সযত্নে কৰা । উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা ।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ____________________

ৰোলনম্বৰ : সংখ্যাৰে : ____________________

: আখৰেৰে : ____________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ____________________

প্ৰাৰ্থীৰ চহী : ____________________ নিৰীক্ষকৰ চহী : ____________________

Facsimile signature stamp of

Centre Superintendent ____________________

পৰীক্ষাৰ্থীয়ে নিম্নলিখিত ভাগৰ প্ৰশ্নবোৰৰ উত্তৰ তেতিয়াহে কৰিব যদি তেওঁলোকে **ভাষা I** ৰ বিকল্প **অসমীয়া** লৈছে ।

## খণ্ড – IV
## ভাষা – I
## অসমীয়া

**নির্দেশ** : তলত দিয়া গদ্যাংশ পঢ়া । গদ্যাংশৰ তলত দিয়া নটা প্ৰশ্নৰ (প্ৰশ্ন **91** ৰ পৰা **99** লৈ) প্ৰতিটোৰে তলত চাৰিটাকৈ উত্তৰ দিয়া আছে । তাৰ পৰা অতি উপযুক্ত উত্তৰটো বাচি প্ৰতিটো প্ৰশ্নৰ উত্তৰ কৰা ।

উচ্চ শিক্ষাই দেশৰ আৰ্থিক উন্নয়ন, সামাজিক বিকাশত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়ায় । কিন্তু ভাৰতৰ উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানসমূহৰ পৰা যিবোৰ লোকে উচ্চ শিক্ষা লাভ কৰে, সেইসকলৰ অধিকাংশই সমাজে আশা কৰাধৰণে সেৱা আগবঢ়োৱাত ব্যৰ্থ হয় । প্ৰতিবছৰে দেশৰ এচাম মেধাৱী ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষা লাভৰ বাবে আৰু গৱেষণাৰ বাবে বহিঃৰাষ্ট্ৰলৈ ঢাপলি মেলে । নিশ্চয় দেশৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ কেতবোৰ আসোঁৱাহ আছে, যাৰ বাবে এচাম মেধাৱী যুৱক-যুৱতীয়ে গৱেষণা আৰু উদ্ভাৱনীমূলক কামত নিয়োজিত হ'বৰ বাবে ভাৰতত প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱ অনুভৱ কৰাৰ লগতে বিশ্বমানৰ শিক্ষানুষ্ঠানৰো অভাৱ অনুভৱ কৰে । এতিয়ালৈকে ভাৰতৰ দহগৰাকী লোকে নোবেল বঁটা লাভ কৰিছে যদিও আঠাইকেইজনে বিদেশতহে গৱেষণা কৰিছে । অৱশ্যে ভাৰতত গৱেষণাৰ নামত ন্যূনতম ধন ধাৰ্য কৰাৰ কথাও এই প্ৰসংগত উল্লেখ কৰিব পাৰি । কিয়নো গৱেষণা কাৰ্যৰ বাবে যি আন্তঃগাঁথনিৰ প্ৰয়োজন, সেই আন্তঃগাঁথনি নিৰ্মাণৰ বাবে পৰ্যাপ্ত পৰিমাণৰ ধন আবণ্টন নিদিলে নিখুঁত আৰু মানসম্পন্ন গৱেষণা কাৰ্য আশা কৰিব নোৱাৰি । ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়ে কয় যে ভাৰতত শিক্ষাৰ ক্ষেত্ৰত ধাৰ্য কৰা মুঠ ধনৰ ০.৪ শতাংশহে গৱেষণাৰ নামত ব্যয় কৰা হয়, যাৰ বাবে গৱেষণা উদ্ভাৱনৰ ক্ষেত্ৰখন পিছপৰি আছে । তদুপৰি বিশ্বৰ শীৰ্ষৰ দুশখন শিক্ষানুষ্ঠানৰ ভিতৰত ভাৰতৰ এখনো শিক্ষানুষ্ঠান নাই । ভাৰতীয় শিক্ষা ব্যৱস্থাত মানসম্পন্ন শিক্ষাৰ অভাৱ আৰু দেশখনত ভাল শিক্ষকৰো অভাৱ বুলি তেওঁয় ।

ভাৰতত বৰ্তমান প্ৰায় ৫২০খন বিশ্ববিদ্যালয় আছে । কিন্তু ভাৰতৰ বৃহৎসংখ্যক জনগণক এই বিশ্ববিদ্যালয়সমূহে এতিয়াও সাঙুৰি ল'ব পৰা নাই । অৱশ্যে পূৰ্বৰ তুলনাত দেশত সাক্ষৰতাৰ হাৰ বৃদ্ধি পালেও উচ্চ শিক্ষিত লোকৰ সংখ্যা এতিয়াও জনসংখ্যা অনুপাতে বহু কম । সেয়ে দেশত উচ্চ শিক্ষিতৰ হাৰ বৃদ্ধিৰ বাবে ৰাষ্ট্ৰীয় জ্ঞান আয়োগে দেশত বিশ্ববিদ্যালয়ৰ সংখ্যা পোন্ধৰশখনলৈ বৃদ্ধিৰ প্ৰস্তাৱ আগবঢ়াইছে । দেশৰ জনসাধাৰণক উচ্চ শিক্ষা লাভৰ সুবিধা দিয়াৰ উদ্দেশ্যে নতুন নতুন বিশ্ববিদ্যালয় আৰু প্ৰযুক্তি প্ৰতিষ্ঠান স্থাপন কৰাটো অতি জৰুৰী যদিও সেইবোৰত দক্ষ শিক্ষক নিযুক্তি দিয়াটোও অতি জৰুৰী । দেশত ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয় সংখ্যা বৃদ্ধিৰ লগে লগে উচ্চ শিক্ষিত আৰু পি এইচ ডি ডিগ্ৰীধাৰী লোকৰ সংখ্যা বৃদ্ধি পাইছে যদিও গুণগত গৱেষকৰ সংখ্যা কিমান বৃদ্ধি পাইছে, সিও চিন্তনীয় বিষয় । কিয়নো কিছুমান বিশ্ববিদ্যালয়ে ধনৰ বিনিময়ত হকে-বিহকে ডিগ্ৰী প্ৰদান কৰাৰ ফলত মানুহৰ উচ্চ শিক্ষিত লোকৰ প্ৰতি পূৰ্বে যি ধাৰণা আছিল, সেই ধাৰণা সমূলি নাইকিয়া হৈছে । দুনীতি-অনিয়মৰ বাবে বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা আৰু বিশ্ববিদ্যালয় এখনে প্ৰদান কৰা ডিগ্ৰী অবৈধ বুলি ঘোষণা কৰা বিষয়টোও অতিশয় স্পৰ্শকাতৰ

91. ভাৰতবৰ্ষত এতিয়ালৈ মৌলিক উদ্ভাৱনীমূলক গৱেষনাৰ কাৰণে বলিষ্ঠ আন্তঃগাঁথনি গঢ় লৈ নুঠাৰ কাৰণ কি ?

(1) উচ্চ শিক্ষাৰ অনুষ্ঠানবিলাক এই বিষয়ত আগ্ৰহী নহয় ।

(2) উচ্চশিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ গৱেষণাকাৰী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম ।

(3) আন্তঃগাৰ্থনিৰ বাবে আবন্টিত ধন পৰ্যাপ্ত নহয় ।

(4) দেশৰ ০.৪ শতাংশ ধন গৱেষনাৰ কাৰণে খৰচ কৰা হয় ।

92. আমাৰ দেশৰ কিমান লোকে এতিয়ালৈ নোবেল বঁটা লাভ কৰিছে ?

(1) কেৱল মাত্ৰ দহগৰাকী লোকে

(2) দহগৰাকীমান লোকে

(3) দুগৰাকীয়ে

(4) সঠিক হিচাপ পোৱা নাযায়

93. ভাৰতীয় শিক্ষা ব্যৱস্থাত কিহৰ অভাৱ বুলি আমাৰ ৰাষ্ট্ৰপতিয়ে উল্লেখ কৰিছে ?

(1) উচ্চমানৰ শিক্ষা আৰু উচ্চ গুণসম্পন্ন শিক্ষক-দুয়োটাৰে

(2) উচ্চ মানৰ শিক্ষাৰ

(3) কেৱল উচ্চ গুণসম্পন্ন শিক্ষকৰ

(4) প্ৰয়োজনীয় ধনৰ

94. আমাৰ দেশৰ জনসংখ্যাৰ অনুপাতে শিক্ষিত লোকৰ সংখ্যা

(1) বেছি

(2) সাক্ষৰতাৰ তুলনাত বেছি

(3) বৃদ্ধি পোৱাটো লক্ষনীয়

(4) কম

95. ৰাষ্ট্ৰীয় জ্ঞান আয়োগে বিশ্ববিদ্যালয়ৰ সংখ্যা কিমানলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিছে ?

(1) পাঁচ শ বিশখনলৈ

(2) এহেজাৰ পাঁচ শ খনলৈ

(3) মুঠ জনসংখ্যাৰ ০.৪ শতাংশলৈ

(4) দহ গুণ

96. বিশ্ববিদ্যালয়ৰ সংখ্যা বাঢ়িছে বুলিয়েই শিক্ষাৰ উন্নতি হৈছে বুলি কব নোৱাৰি; কাৰণ

(1) শিক্ষাৰ বাণিজ্যিকীকৰণ হৈছে ।

(2) ব্যক্তিগত খণ্ডত বিশ্ববিদ্যালয় স্থাপিত হ'ব ধৰিছে ।

(3) সকলো বিশ্ববিদ্যালয়ে হকে বিহকে ডিগ্ৰী প্ৰদান কৰি আহিছে ।

(4) গুণগত গৱেষনা পৰ্যাপ্ত পৰিমাণ বৃদ্ধি পোৱা নাই ।

**97.** লেখকে এই কথাক অতিশয় স্পৰ্শকাতৰ বুলি ভাবে যে

(1) বিশ্ববিদ্যালয়ৰ উপাচাৰ্যকো গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা হৈছে ।

(2) উপাচাৰ্যক গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা হৈছে আৰু কোনো এখন বিশ্ববিদ্যালয়ৰ ডিগ্ৰীৰ অবৈধ বুলি ঘোষণা কৰা হৈছে ।

(3) প্ৰায়ভাগ বিশ্ববিদ্যালয়ে জধে মধে পি এইচ ডি ডিগ্ৰী দিব ধৰিছে ।

(4) উচ্চ শিক্ষিত লোকৰ সংখ্যা বৃদ্ধি পাব ধৰিছে ।

**98.** উচ্চশিক্ষাই কি বিষয়ত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়ায় ?

(1) আৰ্থিক উন্নয়নত

(2) দেশৰ আৰ্থিক উন্নয়ন আৰু সামাজিক বিকাশত

(3) দেশৰ সামাজিক বিকাশত

(4) পি এইচ ডি উপাধি প্ৰদানত

**99.** কি কাৰণে প্ৰতি বছৰে মেধাৱী ছাত্ৰ-ছাত্ৰী বিদেশলৈ চাপলি মেলে ?

(1) উচ্চ শিক্ষাই জনসাধাৰণৰ আশা পূৰণ কৰিব পৰা নাই ।

(2) বিদেশত মেধাৱী ছাত্ৰ-ছাত্ৰীৰ অভাৱ ।

(3) দেশত উদ্ভাৱনীমূলক গৱেষণাৰ কামত উদগনি দিয়া নহয় ।

(4) দেশৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত কেতবোৰ আসোঁৱাহ আছে ।

**নিৰ্দেশ** : নিম্নোক্ত কবিতাটি ভালদৰে পঢ়া । কবিতাটিৰ তলত দিয়া **ছয়টা** প্ৰশ্নৰ (প্ৰশ্ন **100** ৰ পৰা **105** লৈ) প্ৰতিটোৰে চাৰিটাকৈ উত্তৰ দিয়া আছে । তাৰ পৰা অতি উপযুক্ত উত্তৰটো চিহ্নিত কৰি প্ৰতিটো প্ৰশ্নৰ উত্তৰ কৰা ।

### গিৰিমল্লিকা

অয়ি অনৱগুন্ঠিতা ফুল্লশিখৰিণী
ৰঞ্জি মণিকৰ্ণিকাৰ হৰিত মেখলা,
আছা শোভি শুভ্ৰবেশে, কৰি সুৰভিত
লৌহিত্যৰ তীৰভূমি শ্যামল বননি ।
বনস্পতি দ্ৰুমদলে নৱ পল্লৱেৰে
জনাইছে হৃদয়ৰ গুপ্ত সম্ভাষণ,
স্তোকনম্ৰা লতিকাৰ কুঞ্জ পল্লৱত
উঠিছে উথলি যেন প্ৰেমৰ তৰংগ ।
প্ৰিয়া, তুমি ঢালিলা কি মোহন মদিৰা
হাঁহি কটাক্ষৰ ! যি হাঁহিত বনে বনে,
হৰিতা ক্ষেত্ৰত তৰু তৃণ লতিকাৰো
ভাঙিল চমক ।
দ্ৰোণিজাত শুভ্ৰকান্তি ফুল্ল দ্ৰোণিদলে
প্ৰীতিভৰা লাজাঞ্জলি যাছিছে সাদৰে ।
ৰঞ্জিত তুষাৰ শুভ্ৰ নিমজ গালত
সুৰভি কুংকুম ৰাগ ৰক্ত চন্দনৰ ।
শেষাদ্ৰি শিখৰ যেৰে ৰঞ্জি সন্ধ্যা ৰাগে
সুখেৰে বিশ্ৰাম লভে সান্ধ্য নভোমণি
বিবুধ-বনিতা সৱে সিঞ্চি নভো ৰেণু
দিছেহি পিন্ধাই মুক্তাহাৰ আভৰণ
কৌমুদী প্লাৱিত তৱ কোমল বুকুত ।
যেতিয়া জোনালী নিশা মধু পূৰ্ণিমাৰ
হয় সুধাধৱলিত নীলিম আকাশ
সপ্তস্বৰে সমকন্ঠে কেতেকী অপ্সৰী
ঢালি দিয়ে ক্ষীৰধাৰা ।

**100.** 'স্তোকনম্রা লতিকা' বুলি কবিয়ে কি কথা বুজাইছে ?

(1) নৰম পাতৰ লতা

(2) কোমল লতিকা

(3) ঈষৎ তললৈ হালি পৰা লতা

(4) অলংকাৰ যুক্ত কানৰ লতি

**101.** গিৰিমল্লিকাৰ মোহন হাঁহিৰ প্ৰভাৱত কি ঘটিছে ?

(1) গছ-লতাৰ চমক ভাঙিছে ।

(2) কবিৰ চমক ভাঙিছে ।

(3) প্ৰেমৰ তৰঙ্গ উঠলি উঠিছে ।

(4) বনে কটাক্ষ কৰিছে ।

**102.** গিৰিমল্লিকাক কোনে প্ৰীতিভৰা অঞ্জলি যাচিছে ?

(1) কাঁইটীয়া গছে

(2) দেৱদাৰু গছে

(3) বগা দোৰোণ ফুলৰ গছে

(4) নতুনকৈ ফুলা ফুলৰ পৰাগে

**103.** কোন সময়ত বনিতাসকলে গিৰিমল্লিকাক আভৰণ নিন্দাইছে ?

(1) পাহাৰ-শিখৰত যেতিয়া সূৰ্যদেৱে বিশ্ৰাম লয়

(2) পাহাৰ যেতিয়া তুষাৰ-ৰঞ্জিত হয়

(3) বনিতাসকলে যেতিয়া অলংকাৰ বিচাৰি পায়

(4) যেতিয়া নিশা জোনাকেৰে উপচি পৰে

**104.** গিৰিমল্লিকাক সম্ভাষণ জনাই কোনে গীত গায় ?

(1) অপ্সৰীসৱে

(2) কেতেকী আৰু অপ্সৰীয়ে

(3) কেৱল কেতেকীয়ে

(4) বনিতাসৱে

**105.** 'অনৱগুন্ঠিতা' শব্দৰ অৰ্থ

(1) মালা নগঠা

(2) নতুন নহয়

(3) নতুনকৈ নগঠা

(4) ওৰনী নোলোৱা

**নিৰ্দেশ** : প্ৰতিটো প্ৰশ্নৰ তলত দিয়া বিকল্প উত্তৰ বোৰৰ মাজৰ পৰা উপযুক্ত উত্তৰ বাচি লৈ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ।

**106.** পঢ়োঁতে গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰা কৌশলটো হ'ল

(1) টোকা লোৱা

(2) বিশ্লেষণ

(3) সাঁথৰ ভঙা

(4) টোকা কৰা

**107.** শ্ৰৱন-কথন মূল্যায়নৰ প্ৰসংগত নিম্নোক্ত কথা-বতৰাখিনি ভালদৰে পঢ়া । তুমি প্ৰতিজন ছাত্ৰৰ দক্ষতা কেনে ধৰনে মূল্যায়ন কৰিবা ?

**শিক্ষক** : তোমাৰ প্ৰিয় খেল-ধেমালি সম্পৰ্কে তোমাৰ এজন বন্ধুৰ লগত কথা পাতা ।

**ছাত্ৰ 1** : কিয় ? আমি আলোচনা কৰিব নোৱাৰো নেকি ?

**ছাত্ৰ 2** : ঠিক আছে ...... মই তাইৰ লগত কাবাডিৰ বিষয়ে কথা পাতিব পাৰোঁ নে ?

(1) ছাত্ৰ 2 ঠিক; ছাত্ৰ 1 এ উপযুক্ত সহঁাৰি দিব পৰা নাই ।

(2) ছাত্ৰ 1 ঠিক; ছাত্ৰ 2 এ উপযুক্ত সহঁাৰি দিব পৰা নাই ।

(3) ছাত্ৰ 1 আৰু ছাত্ৰ 2 – দুয়ো সঠিক সহঁাৰি দিছে ।

(4) ছাত্ৰ 1 আৰু ছাত্ৰ 2 – কোনেও সঠিক সহঁাৰি দিয়া নাই ।

**108.** গৱেষণাৰ মতে পঢ়াশালিলৈ যাবলৈ আৰম্ভ নকৰা শিশুৰ পৰৱৰ্তী সময়ত সাৰ্থক পঠন অভ্যাস গঢ়ি তোলাৰ কাৰণে তলত উল্লেখ কৰা ঘৰত কৰা কাৰ্যক্ৰমৰ ভিতৰত কোনটো অতি উপাদেয় ?

(1) শিশুক শিশু-পদ্য (nursery rhymes) মুখস্থ কৰোঁৱা

(2) পৰিয়ালৰ লোকে পঢ়াশালিৰ বিষয়ে আলোচনা কৰা

(3) মাক-বাপেকে শিশুক ডাঙৰ ডাঙৰকৈ পঢ়ি শুনোৱা

(4) মাক-বাপেকে বৰ্ণফলা শিকোৱা

**109.** যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে ডাঙৰ ডাঙৰকৈ পঢ়োঁতে পাঠৰ কোনো শব্দৰ সলনি একে অৰ্থবাচক আন শব্দ পঢ়ে তেতিয়া শিক্ষকৰ উপযুক্ত সহঁাৰি হ'ব –

(1) ছাত্ৰক শব্দটো পুনৰ পঢ়িবলৈ দিয়া

(2) ছাত্ৰক পঢ়ি যাবলৈ দিয়া

(3) শুদ্ধ শব্দটো ডাঙৰকৈ পঢ়ি ছাত্ৰক শুধৰোৱা

(4) দুয়োটা শব্দ লিখি লৈ ছাত্ৰক পাঠত থকা শুদ্ধ শব্দটো বিচাৰিবলৈ দিয়া

**110.** কোনো লেখাক অনুকৰণ নকৰি নিজস্ব অৰ্থাৎ মৌলিক প্ৰকাশ ভঙ্গীৰে লিখাটোক বোলা হয় -

(1) উপন্যাসধৰ্মী

(2) সংলাপধৰ্মী

(3) সৃজনশীল

(4) প্ৰবন্ধধৰ্মী

**111.** কোনটো শিকন ক্ষেত্ৰ উচ্চ স্তৰৰ মননৰ লগত জড়িত ?

(1) স্মৰণ

(2) বুজিপোৱা

(3) স্ব-মূল্যায়ন

(4) প্ৰয়োগ

**112.** কোনো এটা জনসমষ্টিৰ বৈশিষ্ট্য বহন কৰা কোনো ভাষাৰ ভিন্ন ৰূপক কোৱা হয় -

(1) ঠাঁচ

(2) উপভাষা

(3) শ্বাসাঘাত

(4) সুৰ

**113.** কোনটো মাধ্যমে আটাইতকৈ বেছি শিকন অভিজ্ঞতাৰ যোগান ধৰে ?

(1) টেলিভিচন, ৰেডিঅ'

(2) যন্ত্ৰৰ সহায়ত ছবি প্ৰদৰ্শন

(3) নমুনা আৰু তালিকা

(4) ক্ষেত্ৰ-ভ্ৰমণ

**114.** চিনেমা হলত তোমাৰ পিছফালে বহা এজন ব্যক্তিয়ে ভ্ৰাম্যভাষত কথা পাতিব ধৰিছে । তুমি তেওঁক কথা পতা বন্ধ কৰিব খোজা । তুমি তেওঁক কেনে ধৰনে অনুৰোধ কৰিবা ?

(1) ইমান ডাঙৰ ডাঙৰকৈ কথা পতা বন্ধ কৰক ।

(2) প্ৰেক্ষাগৃহৰ ভিতৰত ভ্ৰাম্যভাষ (mobile) ব্যবহাৰ নকৰিব ।

(3) আপুনি অনুগ্ৰহ কৰি ভ্ৰাম্যভাষ ব্যৱহাৰৰ পৰা বিৰত থাকিব নোৱাৰে নে ?

(4) আপুনি ইয়াত ভ্ৰাম্যভাষ ব্যৱহাৰ কৰা বন্ধ কৰিব পাৰিব নে ?

**115.** ৰাজহুৱা অনুৰোধ জনোৱা লেখা হৈছে

(1) সম্পাদকলৈ চিঠি

(2) জীৱনী আৰু আত্মজীৱনী

(3) বিশ্বকোষৰ প্ৰবন্ধ

(4) বাতৰি কাকতৰ বিবৃতি, পাঠ্যপুথি

116. ছাত্ৰ-ছাত্ৰীৰ মাজত স্থূল মনন ক্ষমতা জগাই তুলিবৰ কাৰণে শিক্ষকে তলত উল্লেখ কৰা কোনটো পদক্ষেপ গ্ৰহণ কৰিব পাৰে ?

(1) ছাত্ৰ-ছাত্ৰীক পঠনৰ দিক দৰ্শনৰ নিমিত্তে কিছুমান প্ৰাক-পঠন প্ৰশ্ন দি

(2) নিৰ্বাচিত পাঠ বুজি পাবৰ কাৰনে প্ৰয়োজনীয় শব্দাৱলী ছাত্ৰ-ছাত্ৰীক মুখস্থ কৰিবলৈ দি

(3) পঠনৰ মাজতে ছাত্ৰ-ছাত্ৰীক আত্ম-জিজ্ঞাসা বা নিজকে প্ৰশ্ন কৰিবৰ কাৰণে ওকালতি কৰি আৰু আৰ্হি দেখুৱাই

(4) ছাত্ৰ-ছাত্ৰীক ইজনে সিজনৰ কাৰনে বোধজ্ঞানমূলক প্ৰশ্ন লিখিবৰ সুযোগ দি

117. 'বিষয় সূচক বাক্য' (topic sentence) বুলিলে এনে বাক্যক বুজা যায় ম'ত প্ৰকাশিত হয়

(1) ৰচনাৰ মুখ্য ভাব

(2) কোনো কবিতা বা ৰচনাৰ নাম

(3) কোনো পৰিচ্ছেদৰ প্ৰধান ভাব

(4) কোনো ৰচনা বা তথ্য-পাতিৰ উপশিৰোনাম

118. যি শিক্ষাই ছাত্ৰ-ছাত্ৰীক পৃথিৱীখনক ভাল পাবলৈ, শান্তিপূৰ্ণ ভবিষ্যতৰ কল্পনা কৰিবলৈ, আনৰ প্ৰতি দৰদী হ'বলৈ আৰু পৰস্পৰক ভাল পাবলৈ উৎসাহিত কৰে তেনে শিক্ষাক বোলা হয় -

(1) দূৰ-সংযোগী

(2) শিক্ষায়তনিক

(3) বৃত্তিমুখী

(4) মূল্যবোধ-প্ৰধান

119. কোনো এটা পাঠৰ অন্যান্য শব্দৰ মাজত থকা অপৰিচিত শব্দৰ অৰ্থ নিৰূপণ কৰাটো _______ কৌশলৰ অন্তৰ্গত

(1) শ্ৰৱণ

(2) কথন

(3) পঠন

(4) লিখন

120. যেতিয়া তুমি বাতৰি কাকতত কোনো এটা বিজ্ঞাপন নিবিড়ভাৱে পঢ়া, তেতিয়া তুমি প্ৰয়োগ কৰা পঠন কৌশলটো হ'ল -

(1) গহীন

(2) সূক্ষ্মভাৱে নিৰীক্ষন

(3) বিস্তৃত

(4) সাৰোদ্ধাৰ

পৰীক্ষাৰ্থীয়ে নিম্নলিখিত ভাগৰ প্ৰশ্নবোৰৰ উত্তৰ তেতিয়াহে কৰিব যদি তেওঁলোকে **ভাষা II** ৰ বিকল্প **অসমীয়া** লৈছে ।

# খণ্ড – V
# ভাষা – II
# অসমীয়া

**নির্দেশ** : নিম্নোক্ত গদ্যাংশ ভালদৰে পঢ়া । গদ্যাংশৰ তলত দিয়া নটা প্রশ্নৰ (প্রশ্ন **121** ৰ পৰা **129** লৈ) প্রতিটোৰে চাৰিটাকৈ উত্তৰ দিয়া আছে । তাৰ পৰা অতি উপযুক্ত উত্তৰটো চিহ্নিত কৰি প্রতিটো প্রশ্নৰ উত্তৰ কৰা ।

মোৰ জীৱটোও এইদৰে ঢৌত পৰিছিল । নৈৰ ঢৌ সামান্য, মোৰ জীৱটো যি ঢৌত পৰিছিল, তাৰ লগত ৰিজালে সেই ঢৌ লেখত ধৰিবলগীয়া নহয় । লোভ-মোহকে আদি কৰি ছটা পিশাচে মোক জীৱনৰ আদিতে লগ ধৰিলে, লগ ধৰি যিটো প্রলয়-ধুমুহা তুলি দিলে, মন-সাগৰত একেবাৰে তোলপাৰ লাগি গ'ল । একো একো ঢৌ হিমালয়-সদৃশ, তাৰ গৰ্জন, তাৰ আস্ফালন দেখি জীৱ ভয়ত বিতত হৈ পৰিল । ঢৌৰ কোবত সি এবাৰ হামখুৰি খাই খাই পৰে, এবাৰ চিত হৈ পৰে, এবাৰ সিমূৰলৈ বাগৰি যায়, এবাৰ ইমূৰলৈ বাগৰি আহে । এইদৰে নিকৰুণ পিশাচকেইটাই মোৰ নিমাখিত, নিছলা জীৱটোক জুলুকি-জুলুকিকৈ শিকালে । মই যদি মানুহৰ পোৱালি হওঁ, এই শিকনি মই কেতিয়াও নাপাহৰোঁ । সিহঁতৰ কিল, টাঙোন, সিহঁতৰ চৰ, খকৰামুকুটি পাহৰিব লগীয়া বস্তু নহয় । সিহঁতে মোক কি নকৰিলে । সিহঁতৰ চমতাৰ কোব, সিহঁতৰ ৰা-বাঁহৰ চেপা, ইপুৰীৰ কথাকে নকওঁ, সিপুৰীত যে পাহৰিম, এনে কথাও হ'ব নোৱাৰে । উপজিবৰ দিন ধৰি এই শান্তি, উপজিবৰ দিন ধৰি এই ধুমুহা । সাগৰৰ পাৰৰ বালিৰ নিচিনা । দিনে-নিশাই ঢৌৰ ধুপালনি, মুকলি বকৰাণিৰ গছৰ নিচিনা ধুমুহাৰ মোহাৰণি খাওঁতে খাওঁতে মোৰ জীৱ লালকাল দিলে । জীৱ যায় যেন পাইছিলোঁ; কিন্তু এনে জীৱ যে সি সেইবোৰ সহিও জীয়াই আছে । এনেকুৱা ধুমুহাত পৰি কক্‌বকাই ফুৰাতকৈ ডিঙা বুৰি সাগৰত পৰাও ভাল । সাগৰৰ ঢৌৰে হয় একেবাৰে সাং কৰে, নাইবা কোবাই নি তোমাক পাৰত লগাই দিয়ে । কিন্তু মন-সাগৰৰ ঢৌ তেনে নহয় । ই জীউ নামাৰে, পাৰতো লগাই নিদিয়ে, কেৱল অ'ৰপৰা কোবাই ত'লৈ নিয়ে আৰু ত'ৰপৰা কোবাই অ'লৈ আনে । উপজিবৰ পৰা খং-খিয়াল । কপট-কূৰ্চ্চুট আদি নিদাৰুণ প্রবৃত্তিবোৰে মনত যে কিমান আসোঁৱাহ-আহুকাল, অসুখ-অশান্তি লগাই আছিল তাৰ লেখ দিবলৈ টান । একোবাৰ ভাবিছিলোঁ, নুপজিলেই ভাল আছিল । কিন্তু ওপজনত মোৰ হাত নাই । কিয় উপজিলোঁ ক'ব নোৱাৰোঁ । উপজিলোঁতো উপজিলোঁৱেই, অকলশৰে ওপজাহেঁতেনো ইমানখিনি অনুশোচনা হেতু নাথাকিলহেঁতেন; মোৰ লগতে আকৌ উপজিল সেই পিশাচ ছটা । সিহঁত মোৰ লগতে ডাঙৰ-দীঘল হ'ল । সিহঁতে মোতে শিকিলে, মোতে বিকিলে, মোৰে খায়, মোৰে অৰি হয় । ল'ৰাকালত সিহঁতে মোৰ ওপৰত যিমান উদ্বহতি কৰিলে সেয়ে জোৰে, ডেকা কালত আকৌ চাৰি গুণে চৰিল । মই সৰু হৈ থকাত সিহঁতো সৰু আছিল, তেতিয়া সিহঁতৰ বিহ-দাঁত গজা নাছিল । খং আছিল খন্তেকীয়া । হিংসা মাথোন দুদিনীয়া, কূৰ্চ্চুট-কপটৰ চকুৱেই ফুকুৱা নাছিল । তেতিয়াও সিহঁতে অশান্তি কৰিছিল, কিন্তু সেই অশান্তি চেলপেটী জোকৰ নিচিনা লেপেট খাই ধৰা বিধৰ নাছিল । তেতিয়া সিহঁত অনুষ্টুপীয়া বৈৰী, ডাঙৰ হানি কৰিব নোৱাৰিছিল । সিহঁতৰ শান্তিৰ ভিতৰত চিকুট-বাঁকোহেই সাৰ আছিল । মই ভাবিছিলোঁ মই ডেকা বয়সত সোমালে সিহঁতৰ উদ্বহতি অত্যাচাৰ কমি যাব । কিন্তু সেইটো মোৰ ভুল । মোৰ লগতে সিহঁতো ডেকা হৈ উঠিল, আৰু গাত দুগুন বল বান্ধিলে । তেতিয়াহে সিহঁতৰ উদ্ভন্তালি বেছি হ'ল । আগেয়ে সিহঁত নিশাটো শাঁত হৈ আছিল । এতিয়া দিন-নিশাৰ ছেদ-ভেদ গুচিল । নিশা মোৰ টোপনি আহে ।

121. লেখকে 'পিশাচ' বুলি কিহক বুজাইছে ?

(1) সাগৰৰ ঢৌক

(2) চেলাপটী জোকক

(3) ছটা ৰিপুক

(4) ধুমুহাক

122. লেখকক জীৱনৰ ঢৌ

(1) সাগৰৰ সমান

(2) পৰ্বতৰ সমান

(3) নৈৰ সমান

(4) তেনেই সামান্য

123. লেখকৰ জীৱটো কেনেকুৱা ?

(1) অতি চঞ্চল (2) ভয়াতুৰ

(3) চতুৰ (4) অতি সৰল

124. লেখকৰ মতে সাগৰৰ ঢৌ আৰু মনসাগৰৰ ঢৌৰ ভিতৰত কোনটো উত্তম ?

(1) সাগৰৰ ঢৌ

(2) মনসাগৰৰ ঢৌ

(3) দুয়োটাই

(4) এটাও নহয়

125. লেখকৰ মতে মানুহৰ হাত নাই

(1) মৃত্যুত

(2) জন্মত

(3) ধুমুহাৰ মোহাৰনিত

(4) সুখ-দুখত

126. পাঠটোত ব্যৱহৃত 'কূৰ্চ্চুট-কপট' শব্দৰ অৰ্থ কি ?

(1) ফাঁকিবাজ

(2) হাই-উৰুমি

(3) হিংসা-দ্বেষ

(4) আনৰ-অহিত সাধিবলৈ কৰা চিন্তা

127. লেখকৰ জীৱনলৈ কোনে ধুমুহা আনিছিল ?

(1) লুকাই-থকাজনে

(2) হিমালয় পৰ্বতে

(3) লোভ, মোহ আদি ছটা পিশাচে

(4) চকু, কাণ আদি কেইটামান ইন্দ্ৰিয়ই

128. নৈৰ ঢৌ আৰু লেখকৰ জীৱনৰ ঢৌৰ ভিতৰত কোনটো ঢৌ ডাঙৰ ?

(1) লেখকৰ জীৱনৰ ঢৌ

(2) নৈৰ ঢৌ

(3) দুয়োটা সমান

(4) দুয়োটাক তুলনা কৰিব নোৱাৰি

129. লেখকৰ জীৱনত ছটা পিশাচক উদ্ভন্তালি কেতিয়া বেছি হৈছে ?

(1) শৈশৱত

(2) ডেকা কালত

(3) বৃদ্ধ কালত

(4) ডেকাকাল আৰু বৃদ্ধকাল উভয়তে

**নির্দেশ :** নিম্নোক্ত গদ্যাংশ ভালদৰে পঢ়া। গদ্যাংশৰ তলত দিয়া ছয়টা প্ৰশ্নৰ (প্ৰশ্ন **130** ৰ পৰা **135** লৈ) প্ৰতিটোৰে চাৰিটাকৈ উত্তৰ দিয়া আছে। তাৰ পৰা অতি উপযুক্ত উত্তৰটো চিহ্নিত কৰি প্ৰতিটো প্ৰশ্নৰ উত্তৰ কৰা।

সেই সময়ত মোৰ দদাইদেও লক্ষ্মীনাথ বৰুৱা শিৱসাগৰত কলেক্টৰিৰ চিৰস্তাদাৰ আছিল। পিতৃৰ মৃত্যুৰ সম্বাদ পাই তেওঁ আমাৰ ঘৰলৈ গৈ আমাৰ পৰিয়ালৰ সকলোকে শিৱসাগৰলৈ নিলে। আৰু চৰকাৰী কাম শিকিবৰ নিমিত্তে মোক মাহে চাৰি টকা বেতনত নবিছ নিযুক্ত কৰিলে। তাতে মই নিতৌ দিনত কাছাৰিত বঙলা লিখিব-পঢ়িবলৈ শিকি পুৱা-গধুলি উৰ্বীধৰ শিৱসাগৰীয়া বৰুৱাৰ পঢ়াশালিত সংস্কৃত পঢ়িবলৈ ধৰিলোঁ। দদাইদেও ইংৰাজী শিক্ষাৰ গোটেই বিৰোধী আছিল। এই কাৰণে সেই বিদ্যাৰ অভ্যাস কৰিবলৈ আগ বাঢ়িব নোৱাৰিলোঁ। কিন্তু মাজে মাজে সেই সময়ৰ শিৱসাগৰ জিলাৰ অধিপতি কাপ্তান ব্ৰোডি ছাহাবৰ ঘৰলৈ গৈ দেৱনাগৰী আখৰেৰে লিখা হিন্দী, অৰ্থাৎ ব্ৰজভাষা শিখিছিলোঁ। তেওঁ বৰ বিদ্যোৎসাহী আছিল আৰু বিদ্যা-শিক্ষাত যত্ন কৰা ডেকাবিলাকক মৰম কৰিছিল। হিন্দী শিকিবলৈ মোৰ বৰ আগ্ৰহ দেখি তেওঁ মোক উৎসাহেৰে সেই ভাষা শিকাইছিল। তেওঁৰ অনুগ্ৰহতে মই 'প্ৰেম-সাগৰ' আদি পুথিবিলাক ভালকৈ পঢ়িব আৰু বুজিব পৰা হ'লোঁ আৰু এতিয়া ব্ৰজভাষাত মোৰ যি অলপ ব্যুৎপত্তি আছে সি তেওঁৰ কৃপাৰেহে ফল মাথোন।

যদিও দদাইদেওৰ ইচ্ছাৰ বিৰুদ্ধে দেখা-শুনাকৈ ইংৰাজী শিকা মোৰ পক্ষে অসম্ভৱ আছিল, তথাপি গোপনে তাৰ অভ্যাস কৰা একো টান নহয়। মোৰ মনত এনে এটা ভাব হোৱাত এদিন এই ব্ৰোডি ছাহাবৰ ঘৰলৈ গৈ এখন ইংৰাজী বৰ্ণ-বিন্যাসৰ পুথি খুজিলোঁ। তাতে তেওঁ বৰ ৰঙেৰে মোক এখন পুথি দিলে আৰু প্ৰতি দেওবাৰে তেওঁক মোৰ শিক্ষাৰ মহলা দিবলৈ ক'লে। ইংৰাজী পুথি পালোঁ হয়; কিন্তু তাক পঢ়িবলৈ সময় পোৱা শুদা কথা নাছিল, কয়নো ৰাতিপুৱা দহ বজা মানলৈ সংস্কৃত পঢ়া, পাছে এঘাৰ বজাত কাছাৰিলৈ গৈ পুনৰায় চাৰি বজা মানৰপৰা আঠ কি ন বজা মানলৈকে সংস্কৃতৰ অনুশীলন কৰা মোৰ দৈনিক কাৰ্য্য আছিল। সন্ধ্যা সময়ত মাথোন অলপ আজৰি পাইছিলোঁ। তাতে টৌতে খৰ দি সময়ৰ আগ-চুলিত খামোচ মাৰি ধৰিছিলোঁ। আৰু মোৰ সমান বয়সীমা বন্ধুবিলাকৰ সাহায্যেৰে, দুই সপ্তাহমানৰ ভিতৰত, ইংৰাজী বৰ্ণমালাৰ দুয়োবিধৰ আখৰবিলাকেৰে সৈতে চিনাকি হৈছিলোঁ। এনেতে মোৰ বিদ্যাৰ যশস্যাৰ ধ্বনি শিৱসাগৰীয়া বৰুৱাৰ কাণ ছুলেগৈ। তেওঁ সেই কথা দদাইদেওক নজনাই থাকিব নোৱাৰিলে। এই সম্বাদে তেওঁক পানীৰ ছাট পোৱা পকা তেলৰ দৰে জ্বলালে। আৰু মোৰ ফলি-পুথি বান্ধি লৈ ঘৰলৈ উলটি অহা আৰু ইংৰাজী শিক্ষাক বিসৰ্জন দিয়াই তাৰ ফল হ'ল। এই সময়ত সংস্কৃত বিদ্যাত মোৰ যি অধিকাৰ জন্মিছিল, এতিয়া তাতকৈ অধিক হোৱা নাই।

130. লেখকৰ মাহিলী দৰমাহা কিমান আছিল ?

(1) মাহে চাৰি টকা

(2) মাহে পাঁচ টকা

(3) মাহে চাৰিশ টকা

(4) মাহে পাঁচশ টকা

131. লেখকে উৰ্বীধৰ বৰুৱাৰ পঢ়াশালিত কেতিয়া সংস্কৃত পঢ়িছিল ?

(1) পুৱা (2) গধূলি

(3) পুৱা-গধূলি (4) দিনত

132. কোনে ইংৰাজী শিক্ষাৰ বিৰোধ কৰিছিল ?

(1) লেখকৰ পিতৃয়ে

(2) লেখকে নিজে

(3) কাপ্তান ৰোডি চাহাবে

(4) লক্ষ্মীনাথ বৰুৱাই

133. লেখকে ইংৰাজী বৰ্ণবিন্যাসৰ পুথি ক'ৰ পৰা পাইছিল ?

(1) দদায়েক পৰা

(2) উৰ্বীধৰ বৰুৱাৰ পৰা

(3) কাছাৰীৰ পুথিভঁৰালৰ পৰা

(4) ৰোডি চাহাবৰ পৰা

134. উদ্ধৃত গদ্যাংশ কাৰ জীৱন চৰিতৰ অংশ ?

(1) লক্ষ্মীনাথ বৰুৱাৰ

(2) লক্ষ্মীনাথ বেজবৰুৱাৰ

(3) হেমচন্দ্ৰ বৰুৱাৰ

(4) উৰ্বীধৰ বৰুৱাৰ

135. লক্ষ্মীনাথ বৰুৱাই কি চাকৰি কৰিছিল ?

(1) জিলাৰ অধিপতি (2) চিৰস্তাদাৰ

(3) কালেক্টৰ (4) নবিছ

**নিৰ্দেশ** : প্ৰতিটো প্ৰশ্নৰ তলত দিয়া বিকল্প উত্তৰবোৰৰ মাজৰ পৰা উপযুক্ত উত্তৰ বাচি লৈ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ।

136. এগৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ শ্ৰৱন দক্ষতা কেনেকৈ বৃদ্ধি কৰিব পাৰে ?

(1) বিশেষ শ্ৰৱন কাৰ্যক দৈনিক কাৰ্য তালিকাত অন্তৰ্ভুক্ত কৰি

(2) কোৱা কথাকে পুনৰ কৰলৈ দি

(3) ছাত্ৰ-ছাত্ৰীয়ে কথা কোৱাৰ সময়ত মনোযোগেৰে শুনিবলৈ কৈ

(4) ছাত্ৰ-ছাত্ৰীয়ে শুনা কথাখিনি জোৰকৈ ভাবিবলৈ সঘনাই মনত পেলাই দি

137. এগৰাকী শিক্ষকৰ শ্ৰেণীত ভিন্ন ভাষা-ভাষী ছাত্ৰ-ছাত্ৰী আছে । সিহঁতক ওপৰাঞ্চি সকাহ দিবলৈ তেওঁ, তেওঁৰ মৌখিক কথোপকথনত শৰীৰৰ অঙ্গী-ভঙ্গী প্ৰয়োগ কৰে আৰু কিছুমান শব্দত জোৰ দিয়ে তেওঁৰ এই কাৰ্যই তলৰ কোনটো দক্ষতা সূচায় ?

(1) ছন্দ-স্পন্দন

(2) প্ৰয়োগবাদ

(3) ধ্বনিতাত্ত্বিক সচেতনতা

(4) বাক্যতাত্ত্বিক জ্ঞান

138. অন্যৰ সৈতে সাৰ্থকভাৱে বুজাবুজি আৰু কথোপকথন কৰিবলৈ প্ৰয়োজন হোৱা বুদ্ধিবৃত্তি হৈছে -
(1) নৈৰ্ব্যক্তিক (2) ভাষাতাত্ত্বিক
(3) পাৰস্পৰিক (4) ব্যক্তিগত

139. কেতিয়াবা শিক্ষকে ছাত্ৰৰ অশুদ্ধ সহাঁৰিৰ যোগাত্মক শুধৰনি কৰি দিয়ে । ইয়াৰ দ্বাৰা শিক্ষকে এই কথা বুজি পোৱাটো প্ৰতিপন্ন কৰে ।
(1) ছাত্ৰই নেতিবাচক আৱেগিক উত্তৰ দিয়াৰ কৌশল আহৰন কৰিছে ।
(2) ছাত্ৰৰ ভাষাগত বিকাশ হৈছে
(3) ছাত্ৰই বিভিন্ন শিকন/নমুনা আয়ত্ব কৰিব পাৰিছে ।
(4) ছাত্ৰৰ বৌদ্ধিক বিকাশ সাধিত হৈছে

140. যদি ছাত্ৰৰ শাৰীৰিক, ইন্দ্ৰিয়াভিত্তিক, মানসিক সুস্থতা বা শিক্ষণ অসামৰ্থক কাৰণে শিক্ষাৰ পৰা লভোলাভ আদায় কৰা ক্ষমতা ব্যাহত হয়, তেনেহ'লে শিক্ষকে ল'বলগীয়া ব্যৱস্থা হ'ব
(1) নিৰাময় মূলক
(2) শ্ৰেণী কক্ষৰ সু পৰিচালনা
(3) কলা ভিত্তিক শিক্ষা
(4) বিশেষ প্ৰয়োজন সাপেক্ষ শিক্ষা

141. মূল্যায়নৰ ভিত্তি হৈছে -
(1) মূল্যায়নৰ বিধি নিৰ্দেশনা
(2) প্ৰশ্ন অনুসৰি নম্বৰ বিভাজন
(3) ছাত্ৰৰ-সামৰ্থ্যৰ বিষয়ে সাধাৰণ ধাৰনা
(4) মূল্যায়নৰ সজুঁলি

142. উচ্চাৰণত অন্ত্যধ্বনিৰ মিল থকা শব্দৰ এটি যোৰ চিহ্নিত কৰা ।
(1) ক'ত, কত (2) বিদিত, আহত
(3) বিষ, বিহ (4) কাছ, কাচ

143. গঠনবাদ হৈছে এনে এটি সূত্ৰ য'ত ছাত্ৰই -
(1) বহিৰ্জগতৰ বস্তু দেখি শুনি আৰু তাৰ লগত প্ৰাতিক্ৰিয়া প্ৰকাশ কৰি বহিৰ্জগত সম্বন্ধে নিজাববীয়াকৈ ধাৰণা আহৰণ কৰে ।
(2) এমুঠিমান বিসদৃশ নমুনা অধ্যয়ন কৰি সুসংহত সিদ্ধান্ত গ্ৰহন কৰে ।
(3) শিক্ষকৰ উদ্‌গনি লাভ কৰি নিজৰ সূত্ৰ অন্বেষণ আৰু প্ৰতিষ্ঠা কৰাৰ কাৰণে বিবিধ মাধ্যম ব্যৱহাৰ কৰে ।
(4) নিজাকৈ শিক্ষাগত সহায় যুগুত কৰে আৰু তাৰ দ্বাৰা হাতে কামে কৰা অভিজ্ঞতা আহৰন কৰে ।

144. বিভিন্ন ধ্বনি শুনি আৰু শব্দৰ শ্ৰেণী, ৰূপতাত্ত্বিক ভেদ আদি বুজি সিহঁতৰ মাজত ভেদ ঠাৰৰ কৰিব পৰাটো হ'ল -
(1) পঠন কাৰ্যক্ৰম
(2) লিখন কাৰ্যক্ৰম
(3) শ্ৰৱন কাৰ্যক্ৰম
(4) কথন কাৰ্যক্ৰম

**145.** বিষয়বস্তু কেন্দ্রিক শিক্ষা পদ্ধতিত শিকন অভিজ্ঞতা আবর্তিত হয় -

(1) ছাত্রৰ অনুৰক্তিৰ চৌপাশে

(2) পাঠ্যক্রমৰ বিষয়বস্তুৰ চৌপাশে

(3) শিক্ষকৰ বিষয়ৰ ওপৰত থকা জ্ঞানৰ চৌপাশে

(4) শৈক্ষিক প্রযুক্তিবিদ্যাৰ চৌপাশে

**146.** শিকাৰুৰ প্ৰতিভাৰ সংকেত নিৰ্ণয় কৰাত প্ৰায়ে সহায় কৰে -

(1) আই, কিউ (IQ) পৰীক্ষাই

(2) ই, কিউ (EQ) পৰীক্ষাই

(3) শিক্ষকৰ লগতে মাক-দেউতাকে

(4) ছাত্ৰৰ একাদিক্ৰমে সঞ্চিত বিদ্যালয়ৰ অভিলেখে

**147.** মাধ্যমিক বিদ্যালয়ৰ শিক্ষকে একাধিক ভাষা শিকাৰ ফলত চাকৰি বাকৰিত পোৱা সুবিধাৰ ওপৰত আলোকপাত কৰি লিখা প্ৰবন্ধপাতি ছাত্ৰ-ছাত্ৰীক দেখুৱায় । এনেধৰণৰ সামগ্ৰীয়ে ছাত্ৰ-ছাত্ৰীক সহায় কৰে -

(1) বিভিন্ন ধৰনৰ দ্বিভাষিক জনসম্পৰ্কিত আৰু যোগাযোগ প্ৰণালীৰ লক্ষণসমূহ নিৰ্ণয়ত

(2) কি পৰিস্থিতিত মানুহে অন্য দেশলৈ সংক্ৰমণ কৰে, সেই কথা বুজাত

(3) গোলকীয় সমাজত দ্বিভাষিক হোৱাৰ সা-সুবিধাৰ বিষয়ে জনাত

(4) তেওঁলোক ডাঙৰ হ'লে ক'ত বসবাস কৰিব আৰু কাম কৰিব সেই কথা নিৰ্ণয়ত

**148.** শ্ৰৱন, কথন, মূল্যায়ন, কাৰ্যৰ সহায়ত তলৰ বাৰ্তালাপটো কেনেকৈ মূল্যায়ন কৰিবা ?

**শিক্ষক** : দিল্লীৰ বতাহ ইমান ধুৰঁলী-কুৰঁলী কিয় ?

**ছাত্ৰ 1** : খুব সম্ভৱ ধোঁৱা আৰু ধূলিৰ বাবে ।

**ছাত্ৰ 2** : আমাৰ তাতো, বতাহ ধুৰঁলী-কুৰঁলী

(1) ছাত্ৰ 1 : অশুদ্ধ সহাঁৰি
ছাত্ৰ 2 : শুদ্ধ সহাঁৰি

(2) ছাত্ৰ 1 : শুদ্ধ সহাঁৰি
ছাত্ৰ 2 : অশুদ্ধ সহাঁৰি

(3) ছাত্ৰ 1 : অশুদ্ধ সহাঁৰি
ছাত্ৰ 2 : অশুদ্ধ সহাঁৰি

(4) ছাত্ৰ 1 : শুদ্ধ সহাঁৰি
ছাত্ৰ 2 : শুদ্ধ সহাঁৰি

**149.** পাঠ এটাত 'মূল্য' শব্দই বুজায় -

(1) বিশেষ প্ৰসঙ্গত শব্দৰ পৰোক্ষ ব্যৱহাৰ

(2) শব্দ এটা ব্যৱহাৰ কৰাৰ বহু উপায়

(3) শব্দ এটাৰ আভিধানিক অৰ্থ

(4) নিৰ্দিষ্ট প্ৰসঙ্গত শব্দটোৰ গুৰুত্ব

**150.** কেনে ভাষা শিক্ষাই ছাত্ৰ-ছাত্ৰীক গ্ৰহনযোগ্য, অৰ্থপূৰ্ণ ভাব-বিনিময়ত নিয়োগ কৰাত জোৰ দিয়ে ?

(1) ব্যাকৰণ-অনুবাদ

(2) দ্বিভাষিক

(3) ভাব-বিনিময় প্ৰধান

(4) অনানুষ্ঠানিক

## SPACE FOR ROUGH WORK

**তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়া :**

1. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে । শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত নীলা/ক'লা বল পেনেৰ ঘুৰণীয়াকৈ বোলাই দিয়া । এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা ।

2. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব । **পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ** উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন ।

3. প্ৰশ্নপত্ৰ আৰু উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা । কাৰণ প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰ দিয়া নহ'ব ।

4. পৰীক্ষা পত্ৰ/উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবা ।

5. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে ।

6. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব ।

7. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব ।

8. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ হস্তাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব । যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত হস্তাক্ষৰ নকৰে তেনেহলে উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব ।

9. ইলেক্ট্ৰনিক/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব ।

10. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব । সকলো অনুচিত কাৰ্যৰবাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব ।

11. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব ।

12. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পুৰ্বে উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব । পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে ।**

**READ CAREFULLY THE FOLLOWING INSTRUCTIONS :**

1. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with Blue/Black Ball Point Pen on Side-2 of the OMR Answer Sheet. The answer once marked is not liable to be changed.
2. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
3. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
4. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet / Answer Sheet in the Attendance Sheet.
5. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/ room.
6. Each candidate must show on demand his / her Admission Card to the Invigilator.
7. No candidate, without special permission of the Superintendent or Invigilator, should leave his / her seat.
8. The candidates should not leave the Examination Hall without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet a second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case.
9. Use of Electronic / Manual Calculator is prohibited.
10. The candidates are governed by all Rules and Regulations of the Board with regard to their conduct in the Examination Hall. All cases of unfair means will be dealt with as per Rules and Regulations of the Board.
11. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
12. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Room / Hall.** ***The candidates are allowed to take away this Test Booklet with them.***

**निम्नलिखित निर्देश ध्यान से पढ़ें :**

1. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के पृष्ठ-2 पर केवल एक वृत्त को ही पूरी तरह नीले/काले बॉल पॉइन्ट पेन से भरें । एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है ।
2. परीक्षार्थी सुनिश्चित करें कि इस उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ । परीक्षार्थी अपना अनुक्रमांक उत्तर पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें ।
3. परीक्षा पुस्तिका एवं उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर पत्र के संकेत या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी ।
4. परीक्षा पुस्तिका / उत्तर पत्र में दिए गए परीक्षा पुस्तिका संकेत व संख्या को परीक्षार्थी सही तरीके से हाज़िरी-पत्र में लिखें ।
5. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश कार्ड के सिवाय किसी प्रकार की पाठ्य सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है ।
6. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-कार्ड दिखाएँ ।
7. अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें ।
8. कार्यरत निरीक्षक को अपना उत्तर पत्र दिए बिना एवं हाज़िरी-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल नहीं छोड़ेंगे । यदि किसी परीक्षार्थी ने दूसरी बार हाज़िरी-पत्र पर हस्ताक्षर नहीं किए तो यह माना जाएगा कि उसने उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा ।
9. इलेक्ट्रॉनिक / हस्तचालित परिकलक का उपयोग वर्जित है ।
10. परीक्षा-हॉल में आचरण के लिए परीक्षार्थी बोर्ड के सभी नियमों एवं विनियमों द्वारा नियमित हैं । अनुचित साधनों के सभी मामलों का फैसला बोर्ड के नियमों एवं विनियमों के अनुसार होगा ।
11. किसी हालत में परीक्षा पुस्तिका और उत्तर पत्र का कोई भाग अलग न करें ।
12. **परीक्षा सम्पन्न होने पर, परीक्षार्थी कक्ष / हॉल छोड़ने से पूर्व उत्तर पत्र कक्ष-निरीक्षक को अवश्य सौंप दें ।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं ।***